সদৌ অসম গাৰো সাহিত্য সভা
৩য় বাৰ্ষিক অধিবেশন।
নায়েকগাওঁ, ধুবুৰী
তাং— ১৮ ৰ পৰা ২০ ফেব্রুৱাৰী/৮৮

6

# সভাপতিৰ অভিভাষণ

ALL ASSAM GARO SAHITYA SABHA
ANDALRONI SENG.ADNA RE.MIKKANGANI
Estd. 1978 REGD NO. 742

শ্ৰীসুৰোসেন জি মোমিন
সভাপতি
সঃ অঃ গাঃ সাঃ সঃ।

ছপাঘৰ :: কুঞ্জাই



## সদৌ অসম গাৰো সাহিত্য সভা
## ৩য় বাৰ্ষিক অধিবেশন, ১৯৮৮ চন।
নায়েক গাওঁ, জিলা— ধুবুৰী।
তাং— ১৮, ১৯, ২০ ফেব্রুৱাৰী, ১৯৮৮ ইং।
সভাপতিৰ ভাষণ।

সন্মানীয় বিশিষ্ট অতিথি সকল, সাহিত্য প্ৰেমী ৰাইজ আৰু মৰমৰ ছাত্ৰ-ছাত্ৰী সকল। নিশানগ্ৰাম ১ম বাৰ্ষিক অধিবেশনতে ৰাইজে এই অধমৰ ওপৰত সাহিত্য সভাৰ গুৰুদায়িত্ব ভাৰ অৰ্পণ কৰে। মই এই পদৰ বাবে অযোগ্য যদিও ৰাইজৰ দিয়া দান বুলি শীৰত তুলি ভুল ক্ৰটীৰ মাজেৰে সভাপতিৰ কাম কৰি আজি ৩য় বাৰ্ষিক অধিবেশনত উপস্থিত হলোঁ। মোৰ এই কালছোৱাত অৰ্জ্জন কৰা অভিজ্ঞতাক অবগত কৰোৱাৰ আগতে গাৰোসকলৰ চমু ইতিহাস ৰাইজৰ জ্ঞাতাৰ্থে আগবঢ়ালোঁ।

গাৰোসকল তিব্বতী মঙ্গলীয়ান বড়ো ফৈদৰ এক বৃহৎ অংশ। জাপ্‌ফা জালিন্‌ফা, সুকুফা বঙ্গীফা, নৰে দাৰে, ছাদে আনিং আদি পূৰ্ব্ব পুৰুষ সকলে এক বৃহৎ দল সংগ্ৰহ কৰি উৰ্ব্বৰা আৰু সাৰুৱা মাটি বিচাৰি দক্ষিণ মুৱা হৈ ভৈয়ামলৈ নামি আহে। আহোঁতে ঢাল-তৰোৱাল, ঢাক-ঢোল, বাংগ্ৰাম, শিঙা আদি বজাই নানান জয়ধ্বনীৰে হৰ্ষ বিষাদৰ মাজেৰে অটব্য হাবি ভেদ কৰি অনাই বনাই আহি বাঘ, ভালুক, হাতী আদি হিংস্ৰ জন্তুৰ সৈতে বিপদ বিঘিনীৰ মাজেৰে বৰ্ত্তমানৰ শদিয়াত আহি উপস্থিত হয়। কিন্তু তেওঁলোকে ডাঙৰ আৰু বহল নদী ব্ৰহ্মপুত্ৰক দেখি আচৰিত হয় আৰু কেনেকৈ পাৰ হব পাৰি তাৰ সন্ধান বিচাৰি উপায়হীন হৈ পৰে। তেওঁলোকৰ বিশ্বাস অনুযায়ী বন দেৱতাক বলী বিধানেৰে পূজা কৰি কণি দলিয়াই, চাউল চতিয়াই ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰেদি হাবি বননীৰ মাজেৰে নামি আহে আৰু বহু

OKDISCD

বছৰৰ পিছত কোচবিহাৰ পাই সাৰুৱা আৰু উৰ্ব্বৰা মাটি বিচাৰি থাকিবলৈ থিতাপি লয়। কোচবিহাৰৰ ৰজা সকলৰ লগত যুদ্ধ কৰি থাকিব লগাত অশান্তি পাই ৪০০ বছৰৰ পিছত পুনৰায় পিছুৱাই আহি ভৈৰৱচুৰা পাহাৰৰ নামনিত বাস কৰিবলৈ লয়। তাত কিছু বছৰ থকাৰ পিছত যোগীঘোপালৈ আহি চাউনি পাতে আৰু কেনেকৈ ব্ৰহ্মপুত্ৰ নদী পাৰ হব পাৰি তাৰ উপায় বিচাৰিবলৈ আৰাম্ভ কৰে। তাত থকা কাল হোৱাত বিজিনী ৰজাই সৰ্ব্বতো প্ৰকাৰে সহায় ক.ৰছিল। তাতো মাজে মাজে অন্যান্য ৰজা সকলৰ লগত যুদ্ধ কৰি থাকিব লগাত পৰিছিল। এইদৰে নানান অশান্তিৰ মাজেৰে থাকিব লগাত তেওঁলোকৰ ভিতৰতে নানান কথাত অমিল হৈ কাজিয়াৰ সৃষ্টি হয় আৰু এটা সৰু দল হৈ বেলেগ চাউনী পাতি থাকিবলৈ লয়। দুটা দল হোৱাত শত্ৰু পক্ষই সু:যাগ বিচাৰি বাবে পতি আক্ৰেমন কৰিবলৈ ধৰে। কিন্তু মঙ্গলীয়ান বড়োফৈদৰ দল দুভাগ হৈছে যদিও মনৰ ভাগ হোৱা নাছিল। বিপদ দেখা দিলেই একলগে হৈ প্ৰতিৰোধৰ ব্যৱস্থা কৰিছিল। এইদৰে কিছুমান ৰছৰ যোৱাৰ পিছত ডাঙৰ দলে সৰু দলৰ প্ৰতি পুনৰ সহানুভূতিশীল হৈ মাতি আনি চামিল কৰি লয়।

দুটা দল একেলগ হয় যদিও কথাত প্ৰভেদ বৈ গল। বড়ো ভাষাত পুনৰ আমাক ৰাবাগিপ।ৰাং বোলে। সেয়ে পিছলৈ ৰাবাগিপাৰাঙৰ পৰা ৰাবাৰাং হৈ ৰাভা জাতিৰ উৎপত্তি হয় বুলি কিছুমানে কয়।

বোড়ো ফৈদৰ চেন্দি যোগী মেগাম নগৰৰ ছোৱালী দিম্‌ছে অতি ধুনীয়া আৰু সৌন্দৰ্য্যৰ ৰাণী আছিল। তাইক লৈয়ে বড়ো ফৈদে গৌৰৱ কৰিছিল। অন্য ন্য ৰজা আৰু ৰাজ কুমাৰ সকলেও তাইৰ প্ৰতি আসক্ত হৈছিল। সেয়ে তাইক লৈয়ে তেওঁলোক অস্থিৰ হৈ পৰিছিল। নোক্‌মা ধোৰানী ৰাজা বিহাৰী নামৰ ৰজাই দিম্‌ছেক পাবলৈ নানান যৰযন্ত্ৰ চলাইছিল, তথাপিও পোৱা নাছিল। পিছত যোৰ পূৰ্ব্বক নিবলৈ অহাত দুয়ো পক্ষৰ মাজত যুদ্ধ হৈছিল। এই যুদ্ধত বিজিনী ৰজাই বড়ো ফৈদক সৰ্ব্বতো প্ৰকাৰে সহায় কৰিছিল। শত্ৰু পক্ষই দিম্‌ছেক পাত পাতকৈ



বিচাৰিব ধৰাত ফৈদৰ মানুহে পৰ্ব্বতৰ গুহাত শিল খান্দি লুকাই ৰাখিছিল। এই যুদ্ধ বহুদিনলৈ চলাৰ পিছত বড়ো ফৈদে শত্ৰু পক্ষক পৰাস্ত কৰি খেদি দিবলৈ সক্ষম হৈছিল।

এনেকৈ শত্ৰু পক্ষৰ আক্ৰমণৰ ওৰ নপৰাত তেওঁলোকে তাৰ পৰা সোনকালে অন্য ঠাইলৈ যাবলৈ ইচ্ছা কৰে। কিন্তু উপায় নাই এই বহল নদী পাৰ হয় কেনেকৈ ? প্ৰত্যেকে চিন্তা কৰিবলৈ ধৰিলে। শেষত সেই ঠাইৰে এজন ধনৱন্ত নোক্‌মা জাচ্চিংফা ৰোৰি চাদেফা নামৰ ব্যক্তিক চেন্দি যোগী মেগাম নগৰৰ দ্বিতীয়া ছোৱালী দিম্‌ৰেক ৩০০ ডাল ভীম কল গছৰ বাবে বিক্ৰি দি কল গছ কাটি আনি ধুনীয়াকৈ ভেলা (ভূৰ) তৈয়াৰ কৰে। এই ভেলৰ দ্বাৰা ব্ৰহ্মপুত্ৰৰ বহু দূৰ উজনিলৈ বৈ আনি এৰি দিয়ে আৰু নানান চেষ্টাৰ মাজেৰে বৰ্ত্তমানৰ দোলগোমাত কোনোমতে পাৰত লগাব পাৰি ভেলাখন বান্ধিবলৈ সক্ষম হয় আৰু আনন্দত জয়ধ্বনি দি অটব্য হাবিক কঁপাই তোলে।

দোলগোমাত বহুবছৰ থকাৰ পিছত নানান বেমাৰ-আজাৰত তেওঁ-লোকৰ বহুলোক মৰি সাং হয় আৰু বহুতো দল বা মাহাৰী লুপ্ত হয়। দল বা মাহাৰী লুপ্ত হোৱাক বড়ো ভাষাত মাহাৰী গিমাআ বা দল গিমাআ বোলে। শেষত এই কথা বা ভাষাই দোলগোমা হয়। তেওঁ-লোকে শ্ৰীসূৰ্য্য পাহাৰৰ দাতি কাষৰীয়া ঠাইলৈকে বিয়পি পৰিছিল।

ত ত আৰং নগা চিলমে দোখা নামৰ পৰিয়াল বৰ চহকী হৈ উঠিছিল। তেওঁলোকৰ পেলোৱা ধা.ৰ তুষেই এটা সৰু পাহাৰৰ সৃষ্টি হৈছিল। সেই পাহাৰক মেখোংবল আব্ৰি (তুঁহ পাহাৰ) বুলি এতিয়াও বড়ো ফৈদৰ লোকে প্ৰসাংশা কৰি আছে।

সেই ঠাইতো নিগাজীকৈ থাকিবলৈ নৌলৈ উজনিমুৱাহৈ আহিবলৈ ধৰে আৰু কামৰূপ জিলাৰ বকো, ৰাণী আদি ঠাইত থাকিবলৈ লয়। সেই সময়ত কামাখ্যা পাহাৰত তেওঁলোকে বলি বিধান দি পূজা পাতল কৰিছিল। কামাখ্যা পাহাৰক তেওঁলোকে গুৰে চিম্‌ৰাম্‌ বুলি কৈছিল। তেওঁলোকৰ মাজত বাঘ হবলৈ জনা লোক আছিল, সেয়ে সেই ঠাইৰ

OKDISCD

বহুতো পোহনীয় গৰু মহ'ক নষ্ট কৰিছিল । সেই কাৰণে সেই ঠাইৰ লোক সকলে তেওঁলোকক তাৰ পৰা খেদি দিছিল ।

খেদা খাই নামনিলৈ আহি বৰ্ত্তমানৰ কৃষ্ণাই হাব্ৰাঘাটত থাকিবলৈ লয় । তাত তেওঁলোকৰে হাব্ৰা ছুচেনফা নামৰ এজন শক্তিবান পুৰুষে ৰজা হৈ বহু বছৰলৈ শাসন কৰিবলৈ ধৰে । তেওঁৰ ৰাজধানী আছিল কিল্লাঝাৰ । ৰজা মৃত্যু হোৱাৰ পিছত সেই ঠাইতো মন নবহি দক্ষিণ মূৱা হৈ যাবলৈ ধৰে আৰু বহুতো হাবি বননি অতিক্ৰম কৰি যোৱাৰ পিছত আগুৱাই যাবলৈ ইচ্ছা নকৰি সেই ঠাইবোৰতে উৰ্ব্বৰা আৰু সাৰ প্ৰদও মাটি বিচাৰি নিগাজীকৈ থাকিবলৈ লয় । কিন্তু কিছু অংশই তাৰ পৰাও আগুৱাই যাবলৈ টানি ধৰে । এইদৰে তেওঁলোকৰ মাজত অমিল হৈ শেষলৈ দুটা দল হয় । এটা দল সেই ঠাইতে নিগাজীকৈ থাকে আৰু আন দলে দক্ষিণ মূৱাহৈ আগুৱাই গৈ বৰ্ত্তমানৰ গাৰো পাহাৰৰ ওপৰলৈ উঠে ।

নিগাজীকৈ থাকিবলৈ লোৱা দলে হাবি কাটি পৰিস্কাৰ কৰি গৰুৰে হাল বাই খেতি কৰিবলৈ শিকে । বড়ো ফৈদে বসুমতি আইক যথেষ্ট শ্ৰদ্ধা আৰু ভক্তি কৰে আৰু মাতৃ স্বৰূপে সন্মান কৰে । সেয়ে যতে নাথাকক কিয় থকা ঠাইক অৰ্থাৎ মাতৃ ভূমিক বলি বিধান দি পূজা কৰে । ইয়াক মাতৃ পূজা বা "আচ ঠাটা" বোলে । বসুমতী মানে পৃথিবী অৰ্থাৎ ভূখণ্ড । ভূ মানে মাটি । সেয়ে মাটিক অতিকৈ বিশ্বাস কৰে । কাৰণ মাটিয়ে মানুহৰ দেহ । তেওঁলোকৰ ভিতৰত দোষিক উলিয়াব নোৱাৰিলে মাটি কামুৰি শপত খাবলৈ বা সৈ কাঢ়িবলৈ দিয়ে ।

মাটি কামুৰি শপত খালেই নিৰ্দ্দোষী বুলি এৰি দিয়ে । মাটিক বড়ো ভাষাত আ আ বোলে আৰু কামৰাক চিকা বোলে । সেয়ে এই ফৈদৰ নাম আ আচ্চিক অৰ্থাৎ আ + চ্চিকা = আচ্চিক নামে পৰিগনিতহৈ আচ্চিক জাতিৰ উৎপত্তি হয় । তাৰ পৰাই ভৈয়ামত থকা বড়ো ফৈদৰ লোক সকলক আচ্চিক জাতি বুলি কয় । পাহাৰৰ ওপৰলৈ যোৱা দলে হাবি কাটি, গছ গছনীৰ ডাল লঠিয়াই, ( ডালবোৰ কটা ) জঙ্গল পোৰা



দি বাকৰে ধান, কণি, মাকৈ, জলকীয়া, কোপাহ আদি খেতি কৰি জিৰিকা নিৰ্ব্বাহ কৰিবলৈ ধৰে । তেওঁলোকে নিগাজীকৈ নথাকে । নতুন পাহাৰ বিচাৰি খেতি কৰে । এইদৰে প্ৰতিবছৰে ঠাই সলনি কৰি নতুন নতুন পাহাৰৰ জঙ্গল কাটি খেতি কৰাকে জুম খেতি বা গাৰী খোৱা বোলে । গাৰী অৰ্থৰ পৰাই সেই ফৈদৰ নাম হল গাৰী খোৱা দল বা গাৰো দল । পিচলৈ এই নামেই জাতিত পৰিণত হৈ গাৰো জাতিৰ উৎপত্তি হল ।

বড়ো ফৈদৰ স্বকীয়া ভাষা আছে । পাৰ্ব্বত্য গাৰো সকলৰ ভাষাক আৱোঙ্গা ভাষা আৰু ভৈয়ামৰ আচ্চিক সকলৰ ভাষাক আথারে ভাষা বোলে । এই দুটা ভাষাৰ শব্দত বহুতো অমিল আছে । সেই হিচাবে জাতীয় উৎসৱ আৰু কৃষ্টি বোৰেও মিল নখৰে । হাবি কাটি গছ গছনী লঠিয়াই জুম খেতি কৰাৰ সময়ত যিবোৰ পালন কৰা হয় তাক "ওৱানগালা" বোলে । সেয়ে তেওঁলোকৰ ডাঙৰ উৎসৱ বা গাৰো কৃষ্টি ।

ভৈয়ামৰ আচ্চিক সকলে মৃত্যু লোকৰ শ্ৰাদ্ধ কৰে । তাকে "মাঙোনা" বোলে । মাঙোনাৰ সময়ত যিবোৰ নিয়মৰ মাধ্যমেৰে মন্ত্ৰ গাই পূজা কৰে সেই বোৰেই আচ্চিক কৃষ্টি । গাৰো আৰু আচ্চিকৰ মাজত ভাষা কৃষ্টিৰ অমিল যদিও দুয়োটা একে ফৈদৰ কাৰণে বুজি পায় আৰু অনুকৰণ কৰিবলৈ সহজ হয় ।

বৰ্ত্তমানে স্কুলত শিক্ষাদান দিয়া মাধ্যম থকা হেতু লিখিত ভাষা এটাই হৈছে । গাৰো মাধ্যমত স্কুলীয়া শিক্ষা ১৮৭২ চনৰ পৰাই মিচনাৰী সকলে আৰাম্ভ কৰে । পোনতে বঙালী আখৰেৰেহে গাৰো ভাষাৰ কিতাপ লিখি শিক্ষাদান দিছিল । ১৯০২ চনৰ পৰা ইংৰাজী আখৰেৰে গাৰো ভাষাৰ পাঠ্য পুথি উলিয়াই শিক্ষাদানৰ ব্যৱস্থা কৰে আৰু আজিলৈও সেই দৰেই চলি আছে ।

গাৰো ভাষা শিক্ষাৰ মাধ্যম হিচাবে স্বিকৃতি পোৱা আজিলৈ ১০০ বছৰ হৈছে যদিও কোনো দিশতে প্ৰগতিশীল বুলি স্বীকাৰ কৰিব নোৱাৰে । ইয়াৰ মূল কাৰণ হল ভাষা, কৃষ্টি, সাংস্কৃতিক ৰক্ষণা বেক্ষণ কৰা সাহিত্য অবিহনে ভাষাৰ পৰিপুষ্টি সাধন অসম্ভৱ । সাহিত্য

OKDISCD

ভাবঃ সাহিত্যম অৰ্থাৎ সহিত বা সংহতি অথবা মিলনৰ ভাবতে সাহিত্যৰ উৎপত্তি হয়। সাহিত্য সভা নথকাৰ ফলত আজি এই জাতিৰ কোনো ইতিহাস পাবলৈ নাই। মানুহৰ মুখে মুখে বহুতো কথা আছে যদিও লিপিবদ্ধ কিতাপ নথকাত বহুমূলীয়া ভাষা কৃষ্টি সংস্কৃতি লুপ্ত অৱস্থাত পৰি আছে। আজিৰ নতুন মানুহে পূৰ্ব্বপুৰুষ সকলৰ নাম নজনা হল, কৃষ্টি সংস্কৃতি নেদেখা হল।

বড়ো ভাষা এক বৈশিষ্টপূৰ্ণ চহকী ভাষা। এই ভাষীৰ জাতি সকল বড়ো, কছাৰী, আচ্চিক গাৰো, দিমাচা, ৰাভা, মেচ, লালুং কোচ, ৰিআং আৰু ত্ৰিপুৰী বুলি ব্ৰিয়ান হোড়চন্ নামৰ এজন ইংৰাজী লিখকে কৈছে। এই জাতি সকলৰ ভাষাৰ মিল তাৎপৰ্য্যপূৰ্ণ। কাৰণ গাৰো ভাষাও বড়ো ভাষাৰে অংশ। গাৰো সকল এসময়ত বহুতো শিক্ষিত লোকৰ সমাগম আছিল। সেই সময়ত গাৰোৰ বেলেগ লিখিত আখৰো আছিল। সেই কালচোৱাত লোক সকলে কাৰুকাৰ্যতো পিচ পৰা নাছিল। সংৰক্ষণৰ কোনো ব্যৱস্থা নথকাত আজি গাৰো ভাষাৰ আখৰৰ কোনো চিন চাপ নোহোৱা হল। স্থাপত্য ভাস্কৰ্য্যকো আমাৰ বুলি কব পৰা নগল।

১৭৮৮ চনত ঢাকাৰ কমিচনাৰ যোন্ এলিয়ট চাহাবে প্ৰথমে গাৰো ভাষাৰ কিতাপ লিখে। ১৮৮৪ চনত ৰেভাৰেণ্ট ৰামকে মোমিনে বঙালী গাৰো অভিধান উলিয়ায়। এই অভিধান গাৰো শব্দ ৩০ হাজাৰৰ গাঠনি আছিল। ১৮৪৯ চনত উলিয়াম ৰবিনচন্ চাহাবে গাৰো ভাষাৰ ব্যাকৰণ লিখি উলিয়ায়। তাৰ পিছত স্মাইল ব্ৰন্ চন্ চাহাবে ১৮৬৮ চনত গাৰো প্ৰাথমিক শিক্ষাৰ সাহিত্য কিতাপ আৰু গাৰো প্ৰাথমিক ব্যাকৰণ লিখি উলিয়াই স্কুলত শিক্ষাদান দিয়ে।

স্কুলীয়া পাঠ্যপুথি আখাৰে অৰ্থাৎ আচ্চিক ভাষাত লিপিবদ্ধ যদিও মিচনাৰী চাহাব সকল গাৰোপাহাৰ জিলাৰ সদৰ তুৰাত থকাৰ কাৰণে আচ্চিক ভাষা নকৈ গাৰো ভাষা হিচাবেহে প্ৰকাশ কৰিল। সেই বাবে আজিলৈও গাৰো ভাষা হিচাবেহে পৰিগণিত হৈ থাকিল।

গাৰো ভাষা বৰ চহকী ভাষা। এই ভাষাৰ ব্যৱহাৰিক শব্দ যথেষ্ট



আছে। প্ৰাচীন কালত ব্যৱহাৰ কৰা টান টান শব্দবোৰ নতুন চামে ব্যৱহাৰ নকৰাত, বুজিবলৈয়ে নোৱাৰে। ফলত কিছুমান শব্দ হেৰাই যাবলৈহে উপক্ৰম হল। গাৰো ভাষাৰ গীত মাত বহু ধৰণৰ আছে। সুৰৰ মাধ্যমেৰে দীক্ষি বান্দিৰ বীৰত্ব আৰু তেওঁলোকৰ কাৰ্য্য কলাপ বৰ্ণনাই কোৱা গল্প "খাথা আগানা" গধুলীৰ পৰা আৰম্ভ কৰি ৰাতি পুৱাই দিয়ে। আজি কালিও তেনেকুৱা কব পৰা ২/১ জন বুঢ়া-বুঢ়ী আছে। ইয়াৰ উপৰিও খাথা চালিং, চেৰাআ, আজেআ, দানী, দৰোৱা, গোত্তা-দোকা, দ্বাৰ মুকলীৰ সময়ত গোৱা গীত, মৰা-মৃত্যুত সুৰৰ মাধ্যমেৰে মৃত্যু লোকক বৰ্ণনা কৰি কন্দা, দেৱতা পূজাৰ মন্ত্ৰ, বিয়াৰ মন্ত্ৰ আদি বহুতো আছে। সেইবোৰ মুখে মুখে কোৱা কথাহে। তিথি পূজা পাৰ্ব্বণ আদি পালনো বহুধৰণৰ আছে। আঃ আ অথিতা ( প্ৰথম জমি উলিওৱা ) খঞ্চ ঠাটা ( লক্ষী পূজা ) মাঙনা ( শ্ৰাদ্ধ ) চাসজং ঠাটা ( শিৱ পূজা ) আদি পালনৰ উপৰিও বিহু বোৰকো পালন কৰিছিল। এই পৰ্ব্ব বিলাকত ব্যৱহাৰ কৰা গীত মাত, মন্ত্ৰ আদিয়ে একোটা কৃষ্টি আছিল আচ্চিক সকল অসমীয়াৰ মাজত থকা হেতু আচাৰ নীতি, জিৱীকা নিৰ্ব্বাহৰ খেতি-বাতি, পোচাক পৰিধান আদি প্ৰায় অসমীয়াৰ লগত সামঞ্জস্য আছে। বহুত আচ্চিক ভাষাৰ শব্দ অসমীয়াৰ লগত মিল আছে। আচ্চিক পুৰুষ সকল লেংটী নামাৰে আৰু চুলিও নাৰাখে, মহিলা সকলেও গাৰো মহিলাৰ দৰে গানাৰেখিং অৰ্থাৎ আঠুলৈ পৰা কাপোৰ পৰিধান নকৰে আৰু কলা গেঞ্জীও নিপিন্ধে।

১৮৪৯ চনৰ পৰাই গাৰো ভাষাৰ কিতাপ উলিয়াইছে যদিও সংৰক্ষণৰ ব্যৱস্থা নথকাত এই দৰে অতি মূল্যবান ভাষা, কৃষ্টি সংস্কৃতি আদি প্ৰগতি লাভ কৰিব পৰা নাই। আগৰ পৰাই সাহিত্য সভা থকাহেঁতেন সংৰক্ষণৰ ব্যৱস্থা কৰিব পাৰিলোহেঁতেন। সাহিত্যই হৈছে জাতিৰ জীৱন আৰু জাতিৰ মূল শিপা। সাহিত্যৰ অবিহনে জাতিৰ উন্নতি বৃথা। গাৰো সকলৰ ভাষা কৃষ্টি সংস্কৃতি আছে যদিও সাহিত্য নথোকাত আৰু ৰক্ষনা বেক্ষণৰ অভাৱত লোক সমাজত প্ৰস্ফুটিত হব পৰা নাই।

OKDISCD

কোনো এখন সমাজ বা কোনো এটা জাতিৰ সভ্যতাৰ মানদণ্ড নিৰুপণ কৰাৰ সময়ত সেই জাতিৰ বা সমাজৰ শিক্ষা দীক্ষা, সাহিত্য সাংস্কৃতি, কলা কৃষ্টি, আচাৰ ব্যৱহাৰ, ধ্যান ধাৰণা, সামাজিক ৰীতি, উৎসৱ পাৰ্বন আদি নানা দিশ লক্ষ্য কৰিব লগা হয়।

সভ্যতাৰ অৰ্থ হৈছে সমাজ গঠণ কৰা। সাধাৰণতে সভ্য সমাজত সাহিত্য সাংস্কৃতি, শিল্প কলা আদিয়ে জন্ম লাভ কৰে। জন্মৰ লগে লগে পোৱা কিছুমান স্বকীয়া দৈহিক আৰু সামাজিক বৈশিষ্টৰ বাবেই মানুহে সমাজ ৰচনা কৰি সভ্যতাৰ সৃষ্টি কৰি কুঁৱলীৰে ঢাক খোৱা জীৱন ৰহস্যৰ সম্ভেদ বিচাৰি আগবাঢ়ি গৈ আছে।

একোটা সভ্যতা ধ্বংস হৈ গলেও তাৰ প্ৰভাব কিন্তু নাইকিয়া হৈ নাযায়। সেই সভ্যতাৰ প্ৰভাবতে অন্য সমাজ বা দেশ সমুহৰ প্ৰতিভাশালী ব্যক্তিৰ অন্তৰত চিন্তাৰ ঢৌ উঠে, সৃজনি শক্তিৰ বিকাশ আৰম্ভ হয় আৰু তাৰে ফলত হয় এক নতুন জীৱনৰ ভেটি স্থাপন।

সমাজৰ উন্নতি আৰু সভ্যতাৰ উন্মেষণৰ গুৰিতে থাকে মানুহৰ মানসিক প্ৰবৃত্তি আৰু শক্তি সমূহ। অনুসন্ধিৎশা প্ৰবৃত্তি আছে বাবেই পৰিস্থিতি বিশেষে কি কয়, কেনেকৈ ইত্যাদি প্ৰশ্ন উদয় হয় আৰু তাৰে ফলত মানুহে আবিস্কাৰ কৰে নতুন তথ্য, কলা কৌশল আদি সৃষ্টি কৰে সাহিত্য কাব্য দৰ্শণ প্ৰভৃতি। সমাজ আৰু সাহিত্য অতপ্ৰোতভাৱে জৰিত। সমাজৰ গতি, প্ৰকৃতি আৰু শক্তি সমূহে যেনেকৈ সাহিত্য সৃষ্টিত অৰিহণা যোগায় ঠিক তেনেকৈয়ে সাহিত্যই সমাজক প্ৰগতি ন্যায় আৰু সভ্যতাৰ পথত আগবঢ়াই নিয়াত সহায় কৰে আৰু প্ৰেৰণা যোগায়।

ছপা যন্ত্ৰ আবিস্কাৰ হোৱাৰ পিছৰ পৰাই সাহিত্যৰ প্ৰচাৰ আৰু অধ্যয়নৰ ক্ষেত্ৰত এক বৈপ্লবিক পৰিবৰ্ত্তন আৰাম্ভ হল। আজি সমাজৰ প্ৰতিস্তৰৰ মানুহে দুখ দুৰ্দ্দশা, অন্যায় অত্যাচাৰৰ বাস্তৱ কাহিনী সাহিত্যৰ মাজেদি হৃদয় আকৰ্ষণ কৰিব পৰাকৈ প্ৰকাশিত হোৱাত সমাজৰ ওপৰত সাহিত্যৰ যথেষ্ট প্ৰভাৱ পৰিছে। তাৰ ফলত সংস্কাৰ মূলক, প্ৰগতি মূলক আৰু মুক্তিকামী আন্দোলনৰ সৃষ্টি হোৱাত সমাজৰ ৰূপৰো পৰিবৰ্ত্তন হৈ আছে।



ৰাজনীতিৰ ক্ষেত্ৰতো সাহিত্যৰ অসামান্য প্ৰভাৱ। দেশ প্ৰেম মূলক সাহিত্যই জনতাৰ প্ৰান যোগাই তুলি যি ভাবে নিৰ্য্যাতিত জন সমূহক বিদ্ৰোহ কৰিবলৈ স্বাধীনতা যুদ্ধত জপিয়াই পৰিবলৈ উদগনি দিছে পৃথিবীৰ বুৰঞ্জীত তাৰ অলেখ উদাহৰণ আছে। ইটালিৰ দেশ প্ৰেম যোগাবলৈ ম্যাজিণীৰ লিখনি, ফৰাচী বিদ্ৰোহৰ আগতে স্বাধীন চিন্তাৰ সেঁাত বোৱাবলৈ ৰুচো আৰু ভল্টেয়াৰৰ অৱদান বিশেষ ভাৱে উল্লেখযোগ্য। ভাৰতৰ স্বাধীনতা যুদ্ধৰ বাবে দেশবাসীক যগাই তুলিবলৈ ভাৰতীয় কবি সাহিত্যিক সকলেও অশেষ অৰিহণা যোগাইছিল।

সাহিত্যৰ দৰে সাংস্কৃতিও এটা জাতিৰ ভাষা সাহিত্য আৰু সমাজ সভ্যতাৰ শ্ৰেষ্ঠ সম্পদ। ভাষা, সাহিত্য আৰু সাংস্কৃতি থকা বাবেই মানৱ শ্ৰেষ্ঠ জীৱ। অন্যথায় মানুহ আৰু জন্তুৰ একো প্ৰাৰ্থক্য নেথাকিল-হেঁতেন। সাংস্কৃতি হল এটা জাতিৰ সমাজৰ এক সামূহিক জীৱন পদ্ধতি। ই হল সমাজ জীৱনৰ দাপোন। যি কৰ্ম্মত সম্যক সৃজনীশীলতা আছে, সৌন্দৰ্য্য আছে, মানৱতা আছে সিয়ে সংস্কৃতি। সম + কৃতি = সাংস্কৃতি। কৃতি মানেই কাম। সৌন্দৰ্য্য পিপাসা, সৃষ্টিশীলতা আৰু আত্ম প্ৰকাশৰ প্ৰেৰণাই এটা জাতিক নতুন নতুন সম্পদ দান কৰে। এই সম্পদবোৰৰ লগত যেতিয়া মানৱতা বা মানসিক উৎকৰ্ষতা সংযোগ ঘটে তেতিয়াহে এই সম্পদবোৰ আচলতে সাংস্কৃতিক বা culturel ত পৰিণত হয়। এই সাংস্কৃতিৰ প্ৰধান অঙ্গ হল সাহিত্য, সঙ্গীত, নৃত্য, চিত্ৰ, ভাস্কৰ্য্য শিল্প আদি। নাট্য কলাও ইয়াৰ ভিতৰত পৰে।

অৰণ্যত আহাৰ বিচাৰি ফুৰা আদিম মানুহে শস্যদাত্ৰী পৃথিবীৰ প্ৰতি কৃতজ্ঞতা জনাই সৃষ্টি ক্ষমতাক স্বিকৃতি দি পূজা কৰিলে পৃথিৱীক। পূজাৰ লগত পুঞ্জিভূত হোৱা অনুভূতিয়ে আত্মপ্ৰকাশ কৰিলে সঙ্গীত হৈ। স্থান, কাল, পাত্ৰ ভেদে জন্ম দিলে অসংখ্য লোকাচাৰ অৰ্থাৎ মৌলিক সাংস্কৃতি। যুগৰ পিচত যুগ বাগৰি গল। মানুহে বিচাৰি পালে সৃষ্টি-কৰ্ত্তাৰ অপৰিসীম ক্ষমতা। প্ৰথমে ভয়ত আৰু পিচলৈ ভক্তিত মন উপচি পৰিল। সৃষ্টি কৰ্ত্তাৰ প্ৰতি ভক্তি আৰু স্তুতি বোৰেই সাহিত্যত পৰিণত

হৈ ৰূপ দিলে সাংস্কৃতিৰ ভেটি । মানুহ যিমানেই ধাৰ্ম্মিক নহওঁক কিয় জৈৱীক বাসনা শূন্য হব নোৱাৰে । মানুহৰ জৈৱীক প্ৰয়োজনীয়তাও বস্তু-গত, ভাৱগত, আধ্যাতমিক, জাগতিক সকলো সৃষ্টিক সাংস্কৃতিয়ে সামুৰি লয় । মনৰ উৎকৰ্স সাধন কৰিয়েই মানুহ পশুত্বৰ পৰা মনুষ্যত্বলৈ আগ-বাঢ়ে । এনেদৰে মনুষ্যত্বৰ পৰা দেৱত্বলৈ উৰ্দ্ধগামী হয় । ধৰ্ম্মৰপ্ৰকৃত তাৎপৰ্য্যও সেয়ে । যি ধ্যান ধাৰনাৰ দ্বাৰা মানুহে মনৰ উৎকৰ্ষ সাধন কৰে, পাৰ্থিৱ বা জৈৱিক বাসনা সমূহ সংযত কৰে সিয়ে ধৰ্ম্ম । সেয়ে ধৰ্ম্মক ভেতি কৰি সাংস্কৃতিৰ বিকাশ বহুমুখী হৈ উঠে ।

সাংস্কৃতিৰ ক্ষেত্ৰত নিজৰ মাতৃভাষাৰ প্ৰতি ভাল পোৱা থকাটো অতি আৱশ্যকীয় কথা । নিজৰ মাতৃ ভাষাৰ প্ৰতি মৰম নহলে নিজৰ সাহিত্য সাংস্কৃতিলৈও মৰম থকাটো সম্ভৱপৰ নহয় । সাংস্কৃতিৰ ক্ষেত্ৰত যিবোৰ জাতিয়ে, জগতত আজি আগবাঢ়িছে সেইবোৰ জাতিয়ে নিজৰ মাতৃ ভাষাৰ জৰিয়তেহে আগবাঢ়িছে । সামান্য পৰিমানে হলেও নিজৰ সাহিত্য সাংস্কৃতিৰ বিষয় প্ৰত্যেকজন মানুহে জনা অতিকৈ আৱশ্যক ।

বৰ্ত্তমান কালত যি জাতিৰ সাহিত্য নাই বা সাহিত্যৰ উন্নতি নহয় তেওঁলোকে পিচ পৰি ৰয় । গাৰো সকলৰ সাহিত্য আছে যদিও ৰক্ষনা বেক্ষণৰ কোনো ব্যৱস্থা নথকাত আজিলৈও কোনো ব্যক্তিৰ প্ৰাণস্পন্দনত ঝংকাৰ তুলি সাহিত্যৰ প্ৰেৰণা যোগাব পৰা নাই । সাহিত্য সাংস্কৃতি, কলা কৃষ্টিক ৰক্ষণা বেক্ষণ কৰি উৎকৰ্ষ সাধন কৰিবলৈ লাগে এটা সংগঠন । এই সংগঠনেই মুলত; সাহিত্য সভা । মিচনাৰী সকলৰ দ্বাৰা গাৰো সকলৰ সাহিত্য প্ৰায় ১০০ বছৰ আগৰ পৰাই সৃষ্টি হৈছে যদিও সাহিত্য সভা নথকাত কোনেপধ্যেই উন্নতি হব পৰা নাই বৰং অবনতিহে হৈছে বুলি কব পাৰি ।

সাহিত্যৰ উন্নতি সাধন কৰিবলৈ লাগে শিক্ষা । শিক্ষাৰ অবিহনে সাহিত্যৰ বিকাশ সাধন বাওনা মাথোন । এই শিক্ষা হব লাগে মাতৃ ভাষা । তেতিয়াহে উদগীৰণ হৈ থকা মনৰ আবেগ প্ৰস্ফুটিত হৈ খলোচা ভাবে প্ৰকাশ কৰি জাতিৰ সমাজৰ বিকাশ কৰিব পাৰে । গাৰো সকলৰ



আজি ১০০ বছৰ আগৰ পৰাই স্কুলীয়া শিক্ষাৰমাধ্যম হৈছে যদিও সাহিত্য সভা নথকাৰ ফলত উন্নতিৰ পথ ৰূদ্ধ হৈ আছে । আজিলৈ ভাব বিনিময়ৰ আৰু জ্ঞান আহৰণৰ গাৰো ভাষাত লিখা কোনো কিতাপ প্ৰকাশ হোৱা নাই । বাইবেল শাস্ত্ৰৰ বহুতো কিতাপ ওলাইছে যদিও ৰুচি অনুযাই অন্যান্য কিতাপ নথকাত জ্ঞানৰ আলোৰন জগাই তুলিব গৰা নাই । জাতি আৰু সমাজ গঠনৰ বাহিৰা কিতাপ, জিৱনী, নাটক, কবিতা, গল্প আদি পাবলৈ নাই ।

গাৰো সকল প্ৰাচীন কালৰ অশিক্ষিত সমাজৰ নিয়ম ৰীতিকে আজিৰ সভ্য যুগতো চলাই আছে । ফলত নবযুগৰ অন্যান্য প্ৰগতিশীল জাতি বা সমাজৰ লগত ফেৰ মাৰিব পৰা নাই । বৰ্ত্তমানে এইবোৰৰ পৰিবৰ্ত্তনৰ বাবে লাগে এটা বৈপ্লৱিক প্ৰচেষ্টা । এনে বিপ্লৱ কোনো ৰাজনীতি বা ধৰ্ম্মীয় অনুস্থানৰ দ্বাৰা নহয় এই বিপ্লৱ সৃষ্টি কৰিব সু-সাহিত্যিক ব্যক্তিহে । সাহিত্যিক সকলে গল্প, উপন্যাস, কবিতা, নাটক আদিৰ দ্বাৰা পুৰণা আৰু নতুনৰ তুলনাৰে পঢ়ৱৈ সকলৰ জ্ঞানৰ ঝঙ্কাৰ তুলিব লাগিব । তেতিয়াহে হব সমাজৰ বা জাতিৰ পৰিবৰ্ত্তন ।

অন্যান্য উন্নতিকামী জাতিয়ে আগেয়ে সাহিত্য সভা সৃষ্টি কৰি জাতিৰ ভেতি স্থাপন কৰে । পিচতহে সাহিত্য সভাৰ মাধ্যমেৰে ভাষা, কৃষ্টি সাংস্কৃতিৰ বৈপ্লৱিক আলোৰন গঢ়ি তুলি এক সৃজনী শক্তি তৈয়াৰ কৰে । এই দৰেহে গতি কৰে সমাজ জীৱনৰ নতুন পথত । বৰো ভাই সকলে সৌ সিদিনাহে শিক্ষাৰ মাধ্যম পাইছে যদিও তেওঁলোকৰ প্ৰগতি গাৰো সকলৰ বহু ওপৰত । গাৰোসকলৰ শিক্ষাৰ মাধ্যমৰ বয়স ১০০ বছৰ কিন্তু সাহিত্য সভা জন্ম হল সৌ সিদিহে । এতিয়াহে মাথোন ৩য় বাৰ্ষিক অধিৱেশন ।

কম সময়ত জন্ম হৈছে যদিও উদ্যোগতা সকলৰ কৰ্ম্ম পেৰণাত কিছুদূৰ আগবাঢ়িবলৈ সক্ষম হৈছে । তাৰে কিছু উদাহৰণ ৰাইজৰ জ্ঞাতাৰ্থে অবগত কৰিলোঁ ।

১। All Assam Garo Sahitya Sabha ৰ কাৰণে Recuring Grant দিবলৈ মাননীয় অসমৰ শিক্ষা মন্ত্ৰী মহোদয়ৰ আশ্বাস ।

২। অসমৰ আচ্চিক সকলক ভৈয়াম জন-জাতিৰ পুৰ্ণ মৰ্য্যাদা দিবলৈ চৰকাৰৰ ব্যৱস্থা গ্ৰহণ ।

৩। গাৰো মাধ্যমৰ স্কুলীয়া পাঠ্য পুথি লিখিবলৈ বা অনুবাদ কৰিবলৈ গাৰো সাহিত্য সভাক প্ৰদান ।

OKDISCD

৪। অনা গাৰো মাধ্যমৰ স্কুলত পঢ়া গাৰো ছাত্ৰ-ছাত্ৰী ১৫ জন বা ততোধিক থাকিলে প্ৰাথমিক স্কুলৰ পৰা মাধ্যমীক স্কুললৈ Garo Additional subject ৰ ব্যৱস্থা কৰি Lenguestic teachar নিযুক্তিৰ বাবে ব্যৱস্থা গ্ৰহণ।

৫। গাৰো সকলৰ ইংৰাজী মাধ্যমৰ মাধ্যমীক স্কুলবোৰক গাৰো মাধ্যমলৈ ৰূপান্তৰ কৰণ।

৬। গাৰো সকলৰ ইংৰাজী মাধ্যমৰ মাধ্যমীক স্কুলবোৰক উচ্চ মাধ্যমীক স্কুললৈ উন্নিত কৰণ।

৭। গাৰো সকলৰ বাস কৰা বাৰী বা খেতিৰ জমিবোৰ খাছ হৈ থকা বা বন বিভাগৰ অন্তৰ্গত হৈ থকা বোৰক দখল অনুযাই পট্টনৰ ব্যৱস্থা গ্ৰহণ।

৮। অসম চৰকাৰৰ প্ৰত্যেক, বিভাগতে গাৰো যুৱক-যৱতীক ( আচ্চিক ) যোগ্যতা অনুযাই চাকৰিত নিয়োগ।

**শ্ৰদ্ধেয় ৰাইজ !**

গাৰো সকলৰ চমু ইতিহাসৰ পৰা জানিব পৰা গল, আচ্চিক সকল অসমৰে আদিম অধিবাসী, অসম জননীৰ ভূমি পুত্ৰ। ভাৰত স্বাধীন হোৱা ৪০ টা বছৰ পাৰ হল। এই বিগত ৪০ বছৰেই অসমৰ আচ্চিক সকল মৌলিক অধিকাৰৰ পৰা বঞ্চিত হৈ থাকিল। সেয়ে অসমৰ চুকে-কোনে থকা আচ্চিক ভাই সকলৰ প্ৰতি মোৰ বিনম্ৰ অনুৰোধ, আগৰ ভাৱ চিন্তা পৰিহাৰ কৰি নব-যুগৰ নব-চিন্তাৰে সাহিত্যৰ মাধ্যমত নব-জাগৰণৰ বীজ অঙ্কুৰীত কৰি জাতিৰ ভেতি স্থাপন কৰোঁ আৰু ভাষা কৃষ্টি, সাংস্কৃতিৰ বিকাশ সাধনত জীৱন উচৰ্গা দিওঁ। সদৌ শেষত সদৌ অসম গাৰো সাহিত্য সভাৰ দীৰ্ঘায়ু কামনা কৰি মোৰ অসাৰুৱা মুল্যহীন অভিভাষণ সামৰিলোঁ।

*শ্ৰীসুৰোসেন জি, মোমিন।*
সভাপতি।
*সদৌ অসম গাৰো সাহিত্য সভা।*

OKDISCD